# উদ্ধৱ ভৰালী – টমাচ এডিচন অৱ আছাম

- জেচমিন গগৈ, ষষ্ঠ সান্মাষিক, ভৌতিক বিজ্ঞান বিভাগ, লক্ষীমপুৰ বালিকা মহাবিদ্যালয়

In my opinion science is nothing but applications of common science of common people – উদ্ধৱ ভৰালী

প্ৰযুক্তিৰত্ন আৰু সম্প্ৰতি 'পদ্মশ্ৰী' সন্মান লাভৰ জৰিয়তে অসমক সমগ্ৰ ভাৰততে উজ্বলাই তোলা ড° উদ্ধৱ ভৰালীৰ জন্ম হৈছিল ১৯৫২ চনৰ ৭ এপ্ৰিলত ,লখিমপুৰত। তেখেতৰ পিতৃ সেইসময়ত এজন প্ৰতিষ্ঠিত ব্যৱসায়ী আছিল।

ভৰালীদেৱৰ বুদ্ধিমত্তা আৰু মেধাশক্তিৰ প্ৰমাণ তেওঁৰ স্কুলীয়া শিক্ষাৰ জীৱনত পোৱা গৈছিল। হাইস্কুলীয়া শিক্ষা তেওঁ উত্তৰ লখিমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা লাভ কৰে। গণিত বিভাগৰ শিক্ষকক কঠিন প্ৰশ্ন কৰি ব্যতিব্যস্ত কৰাৰ বাবে ভৰালী ক প্ৰায়ে শ্ৰেণীকোঠাৰ বাহিৰত থিয় কৰোৱাই থোৱা হৈছিল আৰু তেওঁক প্ৰথম শ্ৰেণীৰ পৰা তৃতীয় শ্ৰেণীলৈ আৰু ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ দুবাৰকৈ প্ৰমোচন দিয়া হয়। তেওঁ যোৰহাট ইঞ্জিনীয়াৰিং কলেজ ,চেন্নাইস্থিত ইনষ্টিটিউট অৱ ইঞ্জিনীয়াৰছ মাদ্ৰাছ চেণ্টাৰত মেকানিকেল ইঞ্জিনীয়াৰিং অধ্যয়ন কৰে। কিন্তু ঘৰৰ অৰ্থনৈতিক অৱস্থাৰ পাকচক্ৰত পৰি তেওঁ ইঞ্জিনীয়াৰিং আধাতে সামৰিব লগাত পৰে।

ভৰালী দেৱৰ পিতৃ পেছাত ব্যৱসায়ী আছিল। কিন্তু ব্যৱসায়ত লোকচানৰ সন্মুখীন হৈ তেওঁ ঋণৰ বোজা বব লগা হয়। বেংকৰ পৰা লোৱা বৃহৎ পৰিমানৰ ঋণ পৰিশোধ কৰাৰ বাবে ভৰালী লৈ প্ৰায়ে হেঁচা আহিছিল। ১৯৯৫ চনত তেখেতৰ ভাতৃৰ মৃত্যুৰ পাছত পৰিয়ালটোত তেওঁ একমাত্ৰ উপাৰ্জনকাৰী আছিল। পৰিয়ালৰ ভৰন –পোষণৰ দায়িত্ব মূৰ পাতি লৈ ১৯৮৮ চনত অসমৰ চাহ-বাগিচাসমূহত ব্যৱহাৰ কৰা পলিথিন বেগ প্ৰস্তুত কৰা যন্ত্ৰ এটা নিৰ্মাণৰ দিশে আগবাঢ়িল। নিজস্ব কাৰিকৰী জ্ঞান ব্যৱহাৰ কৰি একলাখ টকা মূল্যৰ যন্ত্ৰটো কিনাৰ পৰিৱৰ্তে ৬৭,০০০ টকাতে নিৰ্মাণ কৰে। ইয়াৰ পিছত পৰা তেওঁ এইক্ষেত্ৰখনত আৰু থমকি ৰোৱা নাই। ১৯৯২ চনত একান্ত প্ৰচেষ্টাৰে অন্তত দেশৰ প্ৰথমটো আৰ্হি প্ৰস্তুত কৰা কাৰাখানা 'ইউ কে বি এগ্ৰ' টেক গঢ়ি উঠে।

উদ্ভাৱনক জীৱিকা হিচাপে লোৱা উদ্ধৱ ভৰালীয়ে প্ৰথমে লখিমপুৰ জিলাৰ কৃষিক্ষেত্ৰ আৰু কুটীৰ শিল্পসমূহৰ সমস্যাবোৰত মনোনিবেশ কৰে। কৃষিকৰ্মত ব্যৱহৃত আহিলা –পাতিৰ ওপৰত পৰ্যবেক্ষন

চলাই তেওঁ নিহা গছৰ আঁহ নিষ্কাষণ কৰা যন্ত্ৰ ,আধুনিক ঢেঁকী ,কাঠ –বাদাম, আদা আদিৰ বাকলি গুচোৱা যন্ত্ৰ , মাছৰ বাকলি গুচোৱা যন্ত্ৰ, ডালিমৰ গুটি গুচোৱা যন্ত্ৰ আদি নিৰ্মাণ কৰে। তেখেতৰ এই আটাইবোৰ উদ্ভাৱনেই সুলভ মূল্যৰ আৰু থলুৱা নিৰ্মিত।

মানৱদৰদী বিজ্ঞানী গৰাকীৰ কৰ্মৰাজিৰ আন এটা অন্যতম উল্লেখযোগ্য উদ্ভাৱন হ' ল শাৰীৰিকভাৱে অক্ষম লোকসকলৰ বাবে বিভিন্ন যন্ত্ৰ পাতি তথা আহিলা। নিৰাশ্ৰয়ী বৃদ্ধ মহিলা-পুৰুষসকলৰ বাবে তেওঁ 'অন্নপূৰ্ণা' নামেৰে এটি নিৰাশ্ৰয় গৃহ কৰিছে। তদুপৰি শিক্ষিত তথা নিবনুৱা যুৱক –যুৱতীক নিয়োগ কৰি তেওঁলোকক সংস্থাপনো দি আহিছে। তেখেতৰ উপাৰ্জনৰ এটা শকত অংশ অৱহেলিত লোকৰ সেৱাত খৰচ কৰি আহিছে।

তেখেতৰ এই মানৱপ্ৰেমী কাৰ্য-কলাপ আৰু অদ্বিতীয় উদ্ভাৱন সমূহৰ বাবে দেশ-বিদেশৰ অসংখ্য অনুষ্ঠান –প্ৰতিষ্ঠান , বিশ্ব বিদ্যালয়, চৰকাৰ আদিয়ে তেওঁলৈ অজস্ৰ সন্মান যাচিছে। সেইবোৰৰ ভিতৰত ২০০৬ চনত ৰাষ্ট্ৰীয় উদ্ভাৱনী সংস্থাই আগবঢ়োৱা মাৰৈ অৱ ইনজেটৰ এৱাৰ্ড ,২০০৯ চনত ৰাষ্টীয় উদ্ভাৱনী বঁটা, ২০১০ চনত ৰাষ্ট্ৰপতিৰ ৰাষ্ট্ৰীয় উদ্ভাৱনী বঁটা ,২০১২ চনত আমেৰিকা মহাকাশ গৱেষনা কেন্দ্ৰ 'নাছা' ৰ 'ক্ৰিয়েট দ্য যিউচাৰ ডিছাইন' প্ৰতিযোগিতাত প্ৰথম দহটা সবাতোকৈ জনপ্ৰিয় উদ্ভাৱকৰ তালিকাত দ্বিতীয় স্থান , ২০১০ চনত মেৰিটৰিয়াছ ইনেভেন্চন এৱাৰ্ড আৰু চাৰ্টিফিকেট অৱ মেৰিট ,২০১০ চনতে অসমৰ সাহিত্য সভাৰ দ্বাৰা প্ৰযুক্তি ৰত্ন উপাধি প্ৰদান , ২০১২ চনত অসম যন্ত্ৰ মহাসভাৰ দ্বাৰা শিল্প ৰত্ন উপাধি প্ৰদান ,২০১৩ চনত ৰাষ্ট্ৰীয় একতা সন্মান ,২০১৪ চনত ই .আৰ.ডি এফৰ এক্সিলেঞ্চ বঁটা ,২০১৫ চনত প্ৰতিদিন টাইমৰ মেডিয়া এচিভাৰ বঁটা,২০১৬ চনত কমলাকান্ত শইকীয়া ৰাষ্ট্ৰীয় বঁটা ,২০১৭ চনত পায়নিয়াৰ বঁটা ,২০১৮ চনত মহাত্মা গান্ধী বিশ্ববিদ্যালয় ,মেঘালয়ৰ দ্বাৰা এক্সিলেয়চ এৱাৰ্ড ২০১৯ চনত ভাৰতবৰ্ষৰ চতুৰ্থ সৰ্বোচ্চ অসামৰিক সন্মান "পদ্মশী" আদি। অসম কৃষি বিশ্ববিদ্যালয়ে তেওঁক সন্মানীয় ডক্টৰেট অৱ চায়েন্স ডিগ্ৰীত প্ৰদান কৰিছে। তেখেত ইণ্ডিয়ান ইনষ্টিটিউট অৱ চায়েন্সৰ ভিজিটিং প্ৰফেছাৰ আৰু ভাৰতৰ প্ৰায় আটাইবোৰ বিশ্ববিদ্যালয় আৰু আটাইকেইখন আই.আই.টিৰ মেনেজমেণ্ট আৰু শিক্ষানুষ্ঠানৰ ভিজিটিং প্ৰফেছাৰ।

এনে এজন স্বকীয় প্ৰতিভাৰে বহ্নিমান মৰ্নিষীৰ বিষয়ে আলোকপাত কৰিবলৈ পাই আৰু আমাৰ 'অসমৰ মহান মৰ্নিষী' শিতানটো তেওঁৰ জীৱনীৰে আৰম্ভ কৰিবলৈ পাই আমি ধন্য। তেওঁৰ এই যাত্ৰা অবিৰত হওঁক , সাফল্যৰ স্বৰ্ণ শিখৰ লাভ কৰক আৰু তেওঁৰ প্ৰতিভাৰে অসমৰ বিজ্ঞান

জগতখনলৈ আৰু অধিক অৱদান আগবঢ়াওঁক , তাৰে কামনাৰে আমাৰ scientific temperament পৰিয়ালৰ পৰা শুভেচ্ছা যাচিছো।